**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসম মন্ত্ৰীসভাই অৰুণাচল প্ৰদেশত বাস কৰা মৰাণ জনগোষ্ঠীৰ লোকসকলক অসমত স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব বুলি গ্ৰহণ কৰা সিদ্ধান্তক মৰাণ জনগোষ্ঠীয় সংগঠনে আদৰণি জনাইছে। মন্ত্ৰীসভাৰ এই সিদ্ধান্তই মৰাণ জনগোষ্ঠীৰ লোকসকলক উপকৃত কৰিব বুলি সদৌ মৰাণ ছাত্ৰ সন্থাই উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত পৰৱৰ্তী সময়তো জনগোষ্ঠীটোৰ আন আন সমস্যাসমূহ সমাধান হ'ব বুলি ছাত্ৰ সংগঠনটোৱে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, অৰুণাচল প্ৰদেশত বাস কৰা কিন্তু অসমত স্থায়ী বাসস্থান বা পূৰ্বপুৰুষৰ সম্পৰ্ক থকা মৰাণ জনগোষ্ঠীৰ লোকসকলক শৈক্ষিক উদ্দেশ্যত অসমত স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব বুলি কালি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০০

গুৱাহাটী, তেজপুৰ আৰু শিলচৰত অচিৰেই ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান ভাৰতীয় এ আই মিছনৰ অধীনত তিনিটা তথ্য আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগশালা স্থাপন কৰা হ'ব। ৰাজ্যত শিক্ষাৰ মান উন্নীতকৰণ, কৃত্ৰিম বুদ্ধিমত্তা বিষয়ক গৱেষণা, বতৰৰ আগজাননী আদি কামত ব্যৱহাৰ কৰাৰ উপৰি এই প্ৰয়োগশালাকেইটাৰ জৰিয়তে ৰাজ্যৰ সকলো আই টি আই, পলিটেকনিক আৰু ইঞ্জিনীয়াৰিঙৰ শিক্ষাৰ্থীক কৃত্ৰিম বুদ্ধিমত্তা আৰু তথ্য বিজ্ঞানৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। বানপানীৰ আগতীয়া অনুমান, কৃত্ৰিম বুদ্ধিমত্তা-ভিত্তিক ব্যৱস্থাৰে কৃষি উৎপাদন বৃদ্ধি, কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত অসমীয়া ভাষাৰ অনুবাদ আদি সুবিধাৰ লগতে স্থানীয় ষ্টাৰ্টআপ প্ৰতিষ্ঠান আৰু উদ্যমীসকলৰ বাবেও এই বিশেষ ব্যৱস্থা সহায়ক হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় বন দিৱস। বন সংৰক্ষণ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতি বছৰৰ ২১ মাৰ্চত এই দিৱস পালন কৰা হয়। জীৱকুলৰ উপযোগীকৈ জল, বায়ু আৰু ভূমিৰ গুণাগুণ বৰ্তাই ৰাখি বনাঞ্চলসমূহে পৃথিৱীখন জীৱন নিৰ্বাহৰ উপযোগী কৰি ৰাখে। বৰ্তমান সময়ত বন সংৰক্ষণৰ ক্ষেত্ৰত সকলোৱে একত্ৰিত হৈ কাম কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। বিশ্ব বন দিৱসত পৃথিৱীখনক চিৰ সেউজ কৰি ৰখাৰ প্ৰতিজ্ঞাৰে আজি বিশ্বৰ বিভিন্ন স্থানত নানান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০০

ধেমাজি জিলাত ৰূপায়িত হৈ থকা জলজীৱন আঁচনিৰ কামকাজসমূহ পৰ্যৱেক্ষণ কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় জলজীৱন মিছনৰ এটা প্ৰতিনিধিৰ দল জিলাখনত উপস্থিত হৈছে। ৰাষ্ট্ৰীয় জনজীৱন মিছনৰ প্ৰতিনিধি মহম্মদ গজনফাৰ আহমদৰ নেতৃত্বত অহা দলটোৱে জিলাখনত জলজীৱন মিছনৰ পানী যোগান আঁচনিসমূহে জনসাধাৰণৰ খোৱা পানীৰ সমস্যা দূৰ কৰাত কিমান দূৰ সফল হৈছে আৰু এই আঁচনিসমূহৰ কাৰ্যক্ষমতা তথা বহন ক্ষমতা নিশ্চিত কৰাৰ বাবে স্থানীয় ৰাইজৰ ইয়াত অংশগ্ৰহণ আদি দিশসমূহৰো পৰ্যৱেক্ষণ কৰিছে। ৰাষ্ট্ৰীয় প্ৰতিনিধি দলটোৱে স্থানীয় পানী উপভোক্তা সমিতি, অনাময় সমিতি, মহিলা পানী পৰীক্ষণ

গোট, বিভাগীয় বিষয়া-কৰ্মচাৰী, পঞ্চায়ত সচিব আৰু ৰাইজৰ সৈতে মত বিনিময় কৰে। দুদিনীয়া পৰিদৰ্শন কালত দলটোৱে বিভিন্ন পঞ্চায়তৰ অধীনৰ পানী যোগান আঁচনিসমূহৰ পৰ্যৱেক্ষণ কৰিব বুলি জলজীৱন মিছনৰ জিলা সমন্বয়কে জানিবলৈ দিছে।

০০০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতাৰ লগতে প্ৰশাসনৰ প্ৰস্তুতিও তুংগত উঠিছে। নিৰ্বাচন পৰ্যবেক্ষক অৰূপ কুমাৰ শৰ্মা আৰু কুলশ্ৰী নাথে কালি কামৰূপ জিলাৰ নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। পৰ্যবেক্ষক দুগৰাকীয়ে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ উপস্থিতিত গণনা কক্ষ আৰু ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰাৰ উপৰি সুৰক্ষা ব্যৱস্থাৰো পৰ্যালোচনা কৰে। দুয়োগৰাকীয়ে কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত নিৰ্বাচনত অৱতীৰ্ণ প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ প্ৰক্ৰিয়াও নিৰীক্ষণ কৰে।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিৱেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০০

অসম সাহিত্য সভাই নিজাববীয়াকৈ এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত কালি অনুষ্ঠিত এখন সভাত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে এই কথা সদৰি কৰে। অসমীয়া ভাষা শিক্ষণ, সাধুকথা কথন শীৰ্ষক এটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰি নৱনিৰ্বাচিত সভাপতিগৰাকীয়ে শিশুসকলক অসমীয়া ভাষাটো শুদ্ধকৈ ক'বলৈ, লিখিবলৈ আৰু পঢ়িবলৈ উদগনি যোগাবলৈ এই বিদ্যালয়খন খোলা হ'ব বুলি মন্তব্য কৰে। কালি বিশ্ব সাধুকথা কোৱা দিৱসৰ অংশ হিচাপে অনুষ্ঠিত কাৰ্যসূচীটোত ড০ গোস্বামীয়ে অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষা কৰিবলৈ সভাই অন্যান্য কাৰ্যসূচীও গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড০ জ্যোতিৰেখা হাজৰিকাই অসমীয়া ভাষা কথন আৰু উচ্চাৰণত বিশেষ গুৰুত্ব দি এলানি প্ৰশিক্ষণ কাৰ্যসূচী বিদ্যালয়সমূহত আয়োজন কৰাৰ পোষকতা কৰে।

০০০০০০০০

সমাপ্ত